**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-12-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ দ্বাবিংশতিতম সমাৱৰ্তন সমাৰোহ আজি অনুষ্ঠিত হয়। এই সমাৰোহত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ অধ্যক্ষ অধ্যাপক এম জগদেশ কুমাৰে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। তেওঁৰ সমাৱৰ্তন ভাষণত অধ্যাপক কুমাৰে কয়, যে ন্যায়পালিকা আৰু কাৰ্যপালিকাৰ দৰেই আমাৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহো সংবিধানৰ আদৰ্শৰে পৰিচালিত হয়। তেওঁ শিক্ষাৰ্থীসকলক প্ৰত্যাহ্বানসমূহক সুযোগলৈ ৰূপান্তৰিত কৰিবলৈ আহ্বান জনায়। বিশ্বৰ আগশাৰীৰ বুলি বিবেচিত ফৰ্চুন ফাইভ হাণ্ড্ৰেড কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ অধিকাংশই ভাৰতীয় হোৱাৰ উদাহৰণ দি অধ্যাপক কুমাৰে কয়, যে দেশক সম্পূৰ্ণকৈ সলনি কৰাৰ ক্ষমতা আমাৰ যুৱ সমাজৰ আছে। তেওঁ উচ্চ শিক্ষাৰ সুবিধা সমাজৰ দুৰ্বলতৰ শ্ৰেণীৰ শিক্ষাৰ্থীয়েও লাভ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দীক্ষান্ত সমাৰোহত সভাপতিত্ব কৰি ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষ্মণপ্ৰসাদ আচাৰ্যই কয়, যে এনে সমাৱৰ্তন সমাৰোহে শিক্ষাৰ্থীসকলক সমাজ আৰু দেশৰ প্ৰতি থকা তেওঁলোকৰ কৰ্তব্যৰ কথা সোঁৱৰাই দিয়াত মুখ্য ভূমিকা পালন কৰে। অনুষ্ঠানত ভাষণ দি তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক শম্ভুনাথ সিঙে পৰৱৰ্তী শিক্ষা বছৰত তেজপুৰ বিশ্ববিদ্যালয়ত অৰ্থনীতি বিজ্ঞান, ৰাজনীতি বিজ্ঞান, মনস্তত্বঃ বিজ্ঞান, ভূগোল বিজ্ঞান, পৰিৱেশ্য কলা আৰু জনজাতি অধ্যয়ন বিভাগ মুকলি কৰা হ'ব বুলি প্ৰকাশ কৰে। আজিৰ সমাৱৰ্তনত ১৩১ গৰাকী শিক্ষাৰ্থীক পি এইচ ডি, ৭৩৯ গৰাকীক স্নাতকোত্তৰ, ৪২৮ গৰাকীক স্নাতক, ১৪ গৰাকীক স্নাতকোত্তৰ ডিপ্ল'মা আৰু দূৰ সংযোগ আৰু অনলাইন মাধ্যমেৰে ডিপ্ল'মা লাভ কৰা ৫১ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হয়। আজিৰ অনুষ্ঠানতে যোৱা শিক্ষা বৰ্ষত শ্ৰেষ্ঠ স্নাতক পুৰস্কাৰ লাভ কৰা শিক্ষাৰ্থী - খাদ্য প্ৰযুক্তি বিভাগৰ সুমন্ত চৌধুৰী আৰু শ্ৰেষ্ঠ স্নাতকোত্তৰ পুৰস্কাৰ লাভ কৰা শিক্ষাৰ্থী ৰসায়ন বিজ্ঞান বিভাগৰ অভিনৱ হাজৰিকাক স্বৰ্ণ পদক প্ৰদান কৰা হয়। তেওঁলোকৰ লগতে আন ৪৭ গৰাকী শিক্ষাৰ্থীকো সোণৰ পদক প্ৰদান কৰা হয়।

০০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত অসম গ্ৰন্থমেলা আজিৰে পৰা অনুষ্ঠিত হৈছে। শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে আজি আবেলি এই গ্ৰন্থমেলাৰ দ্বাৰ মুকলি কৰে। অহা ৭ জানুৱাৰীলৈ ১২ দিনীয়া কাৰ্যসূচীৰে হবলগীয়া এই গ্ৰন্থ মেলাত ৰাজ্য আৰু বহিঃৰাজ্যৰ ১১৮টা প্ৰকাশন গোষ্ঠীসহ ৩৫০ খন বিপণীয়ে গ্ৰন্থ মেলাত অংশগ্ৰহণ কৰিছে। অহা ৩১ ডিচেম্বৰত গ্ৰন্থমেলাৰ বাকৰিত এইবছৰৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিক প্ৰদান কৰা হ'ব।

০০০০০০০

গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেৰ স্মৃতিত সদৌ অসম ছাত্ৰ সন্থাই প্ৰৱৰ্তন কৰা **প্ৰতিমা বৰুৱা পাণ্ডে বঁটা** আজি লোক সংস্কৃতিৰ একনিষ্ঠ সাধক দুৰ্গেশ্বৰ সোণোৱালক প্ৰদান কৰা হয়। আজি গুৱাহাটীৰ চানমাৰিৰ প্ৰতিমা বৰুৱা পাণ্ডে উদ্যানত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ছাত্ৰসন্থাৰ মুখ্য

উপদেষ্টা ডাঃ সমুজ্জল কুমাৰ ভট্টাচাৰ্য সমন্বিতে ছাত্ৰসন্থাৰ বিষয়ববীয়াসকলে শ্ৰী সোণোৱালক এই বঁটা প্ৰদান কৰে। এই বঁটাত আছে- প্ৰতিমা বৰুৱা পাণ্ডে সোঁৱৰণী স্মাৰক, পাটৰ চেলেং চাদৰ, গামোচা, এড়ি চোলা, সম্বৰ্ধনা পত্ৰ আৰু নগদ ২৫ হাজাৰ টকা। প্ৰতিমা বৰুৱা পাণ্ডেৰ দ্বাবিংশতিতম স্মৃতি দিৱসৰ আজিৰ এই অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাঞ্চু আৰু আন ভাল সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল। উল্লেখযোগ্য যে সোণোৱাল কছাৰী সমাজৰ লোক সংস্কৃতিক প্ৰসাৰ আৰু প্ৰচাৰেৰে সমৃদ্ধ কৰাৰ স্বীকৃতি স্বৰূপে ডিব্ৰুগড়ৰ টিংখঙৰ দুৰ্গেশ্বৰ সোণোৱালক চলিত বৰ্ষৰ প্ৰতিমা বৰুৱা পাণ্ডে বঁটা প্ৰদান কৰা হৈছে।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা মটৰ চাইকেলেৰে বিশ্ব ভ্ৰমণলৈ অহাৰ বাটত লামডিঙৰ সমীপত সংঘটিত পথ দুৰ্ঘটনাত নিহত বেৰী থমছন নামৰ মহিলা পৰ্যটকগৰাকীৰ অন্তিম সংস্কাৰ আজি নগাঁও চিকিৎসা মহাবিদ্যালয়ত সম্পন্ন কৰা হয়। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে মাৰ্কিন নাগৰিকগৰাকীৰ মৃতদেহ আন্তঃৰাষ্ট্ৰীয় নিয়ম অনুযায়ী যোৱা এসপ্তাহ ধৰি চিকিৎসালয়খনত সংৰক্ষণ কৰা হৈছিল। নতুন দিল্লীস্থিত মাৰ্কিন দূতাবাসে বেৰীৰ পৰিয়ালৰ সন্মতিসাপেক্ষে মৃতদেহৰ অন্তিম সংস্কাৰ নগাঁৱতে সম্পন্ন কৰাৰ বাবে অনুমতি দিয়ে আৰু সেই অনুসৰি আজি খ্ৰীষ্টিয় ৰীতি-নীতিৰে তেওঁৰ শৰদেহ সমাধিস্থ কৰা হয়। উল্লেখযোগ্য যে কেইবাখনো দেশ মটৰ চাইকেলেৰে ভ্ৰমণ কৰি ৮ দিন পূৰ্বে লামডিঙৰ পৰা তেজপুৰ অভিমুখে গৈ থকা অৱস্থাত এখন ট্ৰাকে বেৰীক খুন্দিওৱাৰ ফলত তেওঁৰ মৃত্যু হৈছিল।

০০০০০০০

যোৱা শনিবাৰে কলিয়াবৰ চাহ বাগিচাৰ এজন শ্ৰমিক বাঘৰ আক্ৰমণত নিহত হোৱাৰ পাছত বন বিভাগে এই নৰখাদক বাঘটো ধৰাৰ বাবে অভিযান আৰম্ভ কৰিছে। শালনা সংমণ্ডলৰ বনাঞ্চলিক বিষয়াগৰাকীৰ উদ্ধৃতি দি আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে বন বিভাগে বনাঞ্চলৰ সমীপত এটা পিঞ্জৰা স্থাপন কৰিছে আৰু বাঘটোৰ গতি-বিধি নিৰীক্ষণৰ ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে যোৱা ১০ দিনত কলিয়াবৰ চাহ বাগিচাৰ ৩ জনকৈ শ্ৰমিকক নৰখাদক বাঘটোৱে আক্ৰমণ কৰিছিল। ইয়াৰে এজন শ্ৰমিকৰ ছিন্ন মুণ্ড পাছত উদ্ধাৰ কৰা হৈছিল। লক্ষীৰাম ভূমিজ নামৰ আন এগৰাকী প্ৰাক্তন শ্ৰমিক এতিয়াও নিৰুদ্দেশ হৈ আছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

কেৰালাত অনুষ্ঠিত ২৭ সংখ্যক ছাব্ জুনিয়ৰ ৰাষ্ট্ৰীয় ছেপাকটাক্ৰ' চেম্পিয়নশ্বিপত অসমৰ ছোৱালী দলে সোণৰ পদক অৰ্জন কৰিছে। কালি অনুষ্ঠিত কোৱাড ইভেণ্টৰ ফাইনেলত অসমে মণিপুৰক ২-১ ছেটত পৰাস্ত কৰে। ছেমি ফাইনেলত অসমে মণিপুৰক পৰাস্ত কৰিছিল। আনহাতে, ছোৱালী দলটোৱে দলগত শাখাত ব্ৰঞ্জৰ পদক দখল কৰিবলৈ সমৰ্থ হয়। প্ৰতিযোগিতাখনৰ কোৱাড ইভেণ্টত অসমৰ ল'ৰাৰ দলটোৱে ৰূপৰ পদক অৰ্জন কৰে। ফাইনেলত অসম বিহাৰৰ হাতত পৰাজিত হয়।

০০০০০০০

শিক্ষাবিদ তথা গণিতজ্ঞ জগন্নাথ দাসৰ আজি বৰপেটাৰ আমবাৰী হাটীত থকা নিজ বাসভৱনত বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৪ বছৰ।

০০০০০

**সমাপ্ত**